**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞানৰ উত্তৰবহীত অতিৰিক্ত নম্বৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীয়ে ৰিপ'ৰ্ট কাৰ্ড লাভ কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৩। ৰাজ্যৰ শিপিনীসকলৰ পৰা ১০ লাখ গামোচা ক্ৰয় কৰাৰ বাবে চৰকাৰৰ  সিদ্ধান্ত।

৪। পাঁচশটা কৃষক উৎপাদক সংস্থাক ১০ লাখ টকাকৈ অনুদান প্ৰদানৰ বাবে বাজেটত ধন ধাৰ্য কৰা হৈছে বুলি কৃষিমন্ত্ৰী অতুল বৰাৰ প্ৰকাশ। **আৰু**

৫। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ তিনিটা গোটত অহা মাহৰ পৰা ৭৫০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ প্ৰস্তুতি।

oooooo

সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞান বিষয়ৰ উত্তৰবহীত পৰিক্ষাৰ্থীসকলক অতিৰিক্ত নম্বৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখন জটিল হোৱা বুলি বৰপেটা, বৰদোৱা ভ্ৰমণ কৰাৰ সময়ত তেওঁক শিক্ষাৰ্থীসকলে ওজৰ-আপত্তি দিছিল। শিক্ষাৰ্থীসকলৰ এই অভিযোগৰ ভিত্তিত তেওঁ বিষয়টো পৰ্যালোচনা কৰিবলৈ ছেবাৰ অধ্যক্ষক পৰামৰ্শ দিয়া বুলি উল্লেখ কৰিছে। ছেবাৰ অধ্যক্ষগৰাকীৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখনৰ শৈলী যোৱা বছৰৰ পৰা কিছু সালসলনি কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সাধাৰণ জ্ঞানৰ পৰীক্ষা লোৱাৰ ব্যৱস্থা হিচাপে এনে কৰা ভাল হৈছে যদিও ইয়াৰ ফলত যদি শিক্ষাৰ্থীসকলক পৰীক্ষাত অনুত্তীৰ্ণ হ'বলগীয়া হয় তেন্তে সেয়া দুখৰ কথা হ'ব বুলি উল্লেখ কৰিছে। সেয়ে অন্যান্য বিষয়ৰ পৰীক্ষা ভাল হোৱা পৰিক্ষাৰ্থীসকলক সমাজ বিজ্ঞানৰ পৰীক্ষাত অতিৰিক্ত নম্বৰৰ সুবিধা কৰি দিবলৈ ছেবাৰ অধ্যক্ষগৰাকীক তেওঁ অনুৰোধ জনাইছে বুলি সদৰি কৰিছে।

**বাইট (চি এম)**

আনহাতে অহা ২০ মাৰ্চত ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া মন্ত্ৰীসভাৰ বৈঠকত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহতো প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বিষয়টো আলোচনা কৰি এই বিষয়ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰিছে।

oooooo

ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি এতিয়াৰে পৰা শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীয়ে ৰিপ'ৰ্ট কাৰ্ড লাভ কৰিব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। পূৰ্বে অগ্ৰাধিকাৰ খতিয়ান তথা ৰিপোৰ্ট কাৰ্ড

বছৰৰ শেষত দিয়া হৈছিল যদিও বিগত বৰ্ষত এই পৰম্পৰা তথা প্ৰক্ৰিয়া সলনি কৰি ২০২৫-২৬ শিক্ষাবৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীক ৰিপ'ৰ্ট কাৰ্ড দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে এই কথা স্পষ্ট কৰি দিয়ে যে, চৰকাৰে ধনৰ অভাৱত নহয়, বৰং সমগ্ৰ শিক্ষাই চৰকাৰী ই-মাৰ্কেটিং জেম প'ৰ্টেলৰ জৰিয়তে সামগ্ৰীসমূহৰ সংগ্ৰহ প্ৰক্ৰিয়া দীঘলীয়া হোৱা বাবেহে শিক্ষাৰ্থীক শিক্ষা বৰ্ষৰ আৰম্ভণিতে অগ্ৰগতিৰ খতিয়ান তথা ৰিপোৰ্ট কাৰ্ড দিয়াত বিলম্ব হৈছিল।

০০০০০০

ৰাজ্য চৰকাৰে শিপিনীসকলে গামোচাৰ উচিত মূল্য লাভ কৰাটো নিশ্চিত কৰাৰ বাবে এইবছৰ চাৰে ৬ লাখ গামোচা ক্ৰয় কৰিছে আৰু অহা বছৰ ১০ লাখ গামোচা ক্ৰয় কৰাৰ বাবে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ বিভিন্ন জিলাৰ আয়ুক্ত আৰু সম-জিলাৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হৈ এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ শিপিনীসকলক গামোচাৰ উচিত মূল্য প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে স্বনিৰ্ভৰ নাৰী নামৰ আঁচনিখনৰ জৰিয়তে এই ব্যৱস্থা লৈছে। ৰাজ্য চৰকাৰে প্ৰতি বছৰে নিৰ্দিষ্ট নামত গামোচা ক্ৰয় কৰিলে শিপিনীসকলে বজাৰতো গামোচাৰ উচিত মূল্য লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মধ্যভোগীৰ পৰা গামোচাৰ বজাৰখন মুক্ত কৰাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে বুলি উল্লেখ কৰি তেওঁ জিলা আয়ুক্তসকলক শিপিনীসকলৰ পৰা গামোচা ক্ৰয় কৰি চৰকাৰী কাৰ্যসূচীত ব্যৱহাৰ কৰাৰ পৰামৰ্শ আগবঢ়ায়। ভৱিষ্যতে প্ৰতিটো অসম ভৱনতে গামোচা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

কালিৰ অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধন বিতৰণ সন্দৰ্ভত আলোচনা কৰা হয়। কাইলৈ কামৰূপ জিলাৰ পলাশবাৰীত কেন্দ্ৰীয়ভাৱে এই যোজনাৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰতিখন জিলা আৰু সম-জিলাত একে সময়তে এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰী জিলা আৰু সম-জিলা আয়ুক্তসকলক নিৰ্দেশ জাৰি কৰে। কাইলৈ ৰাজ্যখনৰ ৩ লাখ ৮৮ হাজাৰ ৩৫৮গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশিৰ অনুমোদন পত্ৰ বিতৰণ কৰা হ'ব। বৈঠকত জিলা আৰু সম-জিলাসমূহত গামোচা বিতৰণ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। দুয়োটা অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়ে।

০০০০০০

ৰাজ্যৰ ৫০০ টা কৃষক উৎপাদক সংস্থাক ১০ লাখ টকাকৈ অনুদান দিয়াৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰা বুলি কৃষি মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে ইয়াৰ বাবে বাজেটত ধন ধাৰ্য কৰা বুলি শ্ৰী বৰাই উল্লেখ কৰিছে। কৃষক উৎপাদনক সংস্থাসমূহে বন্ধকমুক্ত ঋণ প্ৰদান কৰিব পৰাকৈ এইবাৰৰ বাজেটত ক্ৰেডিট গেৰাণ্টি ফাণ্ড আঁচনিৰো প্ৰস্তাৱ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ মৰ্মে এইবাৰৰ বাজেটত ধান, মাকৈ আৰু সৰিয়হৰ ক্ষেত্ৰত কৃষকসকলে লাভ কৰা ন্যূনতম সমৰ্থন মূল্যৰ উপৰি প্ৰতি কুইণ্টল ধান আৰু মাকৈত ২৫০ টকাকৈ আৰু প্ৰতি কুইণ্টল সৰিয়হত ৫০০ টকাকৈ চৰকাৰী সাহায্য আগবঢ়োৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেক কৰিছে।

কৃষি বিভাগৰ উদ্যোগত আৰু অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰটিয়ামৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত কালিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত কৃষক উৎপাদক মেলাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰিছে। কৃষি মন্ত্ৰীগৰাকীয়ে এই মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ বিভিন্ন

বিপণীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে কৃষক তথা কৃষি উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়  যে বছৰত দুটা বা তিনিটা বাণিজ্যিক মূল্য থকা শস্যৰ খেতিৰ প্ৰতি কৃষকসকলক আগ্ৰহী কৰি তোলাৰ বাবে এই মেলা অনুষ্ঠিত কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষি খণ্ডৰ ৰূপান্তৰৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাক এই মেলাই নতুন গতি দিবলৈ সমৰ্থ হ'ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। তেওঁ কয় যে ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ কৃষকসকলক সংঘবদ্ধ কৰি কৃষিক উপাৰ্জনৰ নিশ্চিত ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে সমগ্ৰ দেশত ১০ হাজাৰ কৃষক উৎপাদক সংস্থা গঠনৰ আঁচনি লৈছে। অসমত গঠন হোৱা এনে সংস্থাসমূহে ৰাজ্যখনত নৱজাগৰণৰ সূচনা কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটতো মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ অধীনত কৃষক উৎপাদক সংস্থাসমূহক শক্তিশালী কৰি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। এই সংস্থাসমূহৰ কৃষিকৰ্মৰ পৰিচালনা ব্যয়ৰ বাবে প্ৰতিটো সংস্থালৈ ১০ লাখকৈ টকা আগবঢ়াবলৈও বাজেটত প্ৰস্তাৱ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়।

০০০০০০

নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পত অহা মাহৰ দ্বিতীয় সপ্তাহৰ পৰা এন এইছ্ পি চিয়ে বিদ্যুৎ উৎপাদন কৰাৰ বাবে সাজু হৈছে। দুহেজাৰ মেগাৱাট শক্তি সম্পন্ন জলবিদ্যুৎ প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য  প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এন এইচ পি চিয়ে প্ৰথম পৰ্যায়ত প্ৰকল্পটোৰ তিনিটা ইউনিট কাৰ্যক্ষম কৰি ৭৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব। ১১ নাইবা ১২ এপ্ৰিলৰ পৰা বিদ্যুৎ উৎপাদন আৰম্ভ কৰি ২০২৬-২৭ বৰ্ষৰ পৰা প্ৰকল্পটোৰ আটাইকেইটা ইউনিট কাৰ্যক্ষম কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। প্ৰকল্প নিৰ্মাণকাৰী সংস্থাটোৱে অহা মাহত বিদ্যুৎ উৎপাদন কৰিবলগীয়া তিনিওটা ইউনিটৰ পৰীক্ষা চলিত মাহৰ তৃতীয়টো সপ্তাহৰ আৰম্ভণিতে সম্পন্ন কৰিব বুলি জানিব পৰা গৈছে।

০০০০০০

উজনি অসমৰ চাৰিখন জিলাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনি ৰূপায়ণৰ নামত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ সন্দৰ্ভত তদন্তৰ ব্যৱস্থা গ্ৰহণ নকৰাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত পূৰ্বৰ ইন্দিৰা আৱাস যোজনা আৰু এম জি এনৰেগা আঁচনি ৰূপায়ণৰ নামত ২০০৪ চনৰ পৰা ২০১৮ চনলৈ প্ৰায় ৫০০ কোটি টকাৰ অপব্যৱহাৰ হোৱা বুলি নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে দিয়া প্ৰতিবেদনৰ ভিত্তিত আমগুৰি নৱনিৰ্মাণ সমিতিয়ে ইয়াৰ তদন্ত বিচাৰি ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে ২০২২ চনৰ ২৫ নৱেম্বৰত ৰাজ্য চৰকাৰক বিষয়টোৰ তদন্ত কৰিবলৈ নিৰ্দেশ দি আবেদনখন নিষ্পত্তি কৰিছিল। চৰকাৰে দুবছৰৰো অধিক সময় জুৰি এই বিষয়ত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত সমিতিখনে শেহতীয়াকৈ চৰকাৰৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে।

০০০০০০

ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনক সামাজিক মাধ্যমযোগে এজন লোকে প্ৰাণে মৰাৰ ভাবুকি দিয়া বুলি সাংসদগৰাকীয়ে ধুবুৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। সাংসদগৰাকীয়ে এজাহাৰখনত উল্লেখ কৰা মতে যোৱা ৪ জানুৱাৰী আৰু ১৬ মাৰ্চত ফেচবুক লাইভ কৰাৰ সময়ত আনচাৰ আলী নামৰ লোক এজনে তেওঁক হত্যাৰ ভাবুকি দিছিল। ধুবুৰী জিলা কংগ্ৰেছে এই ঘটনাৰ গৰিহনা দিয়াৰ লগতে দোষীক কৰায়ত্ব কৰাৰ বাবে দাবী জনাইছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

ডিব্ৰুগড় জিলা বিভিন্ন প্ৰান্তত যোৱা নিশা হোৱা ধুমুহাৰ ফলত জিলাখনত বিস্তৰ ক্ষতি হয়। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ ৰহমৰীয়া অঞ্চলৰ এই ধুমুহাজাকে বিস্তৰ ক্ষতি সাধন কৰে। জিলাখনৰ টেঙাখাত, বৰবৰুৱা, লাহোৱাল, বকুল, জোকাই আদি অঞ্চলটো ধুমুহাই বহুলোকৰ ঘৰদুৱাৰৰ ক্ষতি হোৱা বুলি আমাৰ সংসাদদাতাই জনাইছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ পঞ্চমটো চন্দ্ৰ অভিযানত অনুমোদন জনাইছে। দেশৰ মহাকাশ বিজ্ঞানৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিবলগীয়া এই অভিযানত কেন্দ্ৰই অনুমোদন জনোৱাৰ বিষয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নতুন অধ্যক্ষ ভি নাৰায়ণনে কালি বেংগালুৰুত আয়োজিত এটা অনুষ্ঠানত প্ৰকাশ কৰিছে। ২০৪০ চনৰ ভিতৰত ভাৰতীয় মহাকাশচাৰীক চন্দ্ৰলৈ প্ৰেৰণৰ লক্ষ্যৰে ৰূপায়ণ কৰিবলগীয়া এই অভিযানত জাপান সহযোগী দেশ হিচাপে থাকিব। পঞ্চম চন্দ্ৰযানত চন্দ্ৰৰ বুকুলৈ ২৫০ কিলোগ্ৰাম ওজনৰ ৰোভাৰ প্ৰেৰণ কৰা হ'ব। উল্লেখযোগ্য যে ২০২৭ চনত চন্দ্ৰপৃষ্ঠৰ পৰা শিল আৰু মাটিৰ নমুনা সংগ্ৰহৰ লক্ষ্যৰে চতুৰ্থ চন্দ্ৰযান প্ৰেৰণ কৰা হ'ব। যোৱা বছৰৰ ছেপ্তেম্বৰত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱা এই অভিযানৰ বাবে ২ হাজাৰ ১০৪ কোটি টকা ব্যয় কৰা হ'ব। ইছৰোৰ অধ্যক্ষগৰাকীয়ে কয়, যে ২০৩৫ চনৰ ভিতৰত ভাৰতে নিজা মহাকাশস্থান স্থাপন কৰিব। কেন্দ্ৰীয় চৰকাৰে ইছৰোক চন্দ্ৰলৈ ভাৰতীয় মহাকাশচাৰীক প্ৰেৰণ আৰু সুৰক্ষিতভাৱে প্ৰত্যাৱৰ্তন কৰোৱাবলৈ থলুৱাভাৱে ৰকেট নিৰ্মাণৰ নিৰ্দেশনা দিছে বুলি ভি নাৰায়ণনে প্ৰকাশ কৰে।

০০০০০০

বৰপেটাৰ হোলী গীতৰ সমূহীয়া পৰিৱেশনৰ জৰিয়তে অভিলেখ গঢ়িবলৈ চৰকাৰে প্ৰয়াস কৰিব। ফে'চবুক লাইভৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে গুৰু দুজনাৰ পৱিত্ৰ স্পৰ্শৰে এতিয়াও পাটবাউসী, দামোদৰদেৱ আৰু বৰপেটা সত্ৰ তথা বৰদোৱা থান জীপাল হৈ আছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত অহা বছৰ দৌল উৎসৱৰ সময়ত সমূহীয়া হোলী গীত পৰিৱেশনৰ পদক্ষেপ সন্দৰ্ভত আলোচনা কৰিব বুলিও জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, এইবাৰৰ দৌল উৎসৱৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা সত্ৰ পৰিদৰ্শন কালত জিলাখনৰ এগৰাকী কিশোৰীয়ে এই বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়টো প্ৰকাশ কৰাত অসম সত্ৰ মহাসভাৰ উত্তৰ পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদকে আদৰণি জনাইছে।

০০০০০০

সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সমাজবিজ্ঞানৰ প্ৰশ্নকাকতৰ উত্তৰ বহীত সকলো শিক্ষাৰ্থীকে অতিৰিক্ত নম্বৰ দিয়া হ'ব। লগতে ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বিষয়টোক মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এই ঘোষণা সন্দৰ্ভত **সমাজ বিজ্ঞানৰ প্ৰশ্ন জটিল হোৱাত মেট্ৰিক পৰীক্ষাৰ্থীয়ে পাব অতিৰিক্ত নম্বৰ** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো অন্যান্য কাকতসমূহেও প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ মুফ্‌ট বিজুলী যোজনা আঁচনিৰ অধীনত ২০২৭ চনৰ ভিতৰত দেশৰ এক কোটি পৰিয়ালক সামৰি লোৱাৰ কথা আছিল যদিও এবছৰ সম্পূৰ্ণ কৰা আঁচনিখনে মাত্ৰ ৮ দশমিক ৪-৬ শতাংশহে অগ্ৰগতি লাভ কৰিছে। এই গতি অব্যাহত থাকিলে আঁচনিখনে ২০২৭ চনলৈ মাত্ৰ ২৬ শতাংশ লক্ষ্যত হে

উপনীত হ'বলৈ সমৰ্থ হ'ব। এই বাতৰিটো দৈনিক অসম কাকতে **সৌৰ শক্তি আঁচনিৰ শামুকীয়া গতি** শিৰোনামেৰে আলোকপাত কৰিছে।

আজিৰ পৰা শিক্ষক বদলীকৰণৰ প'ৰ্টেলৰ আবেদন গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই প'ৰ্টেলৰ জৰিয়তে দিব্যংগ শিক্ষকসকলে দুবছৰ কাম কৰাৰ পাছতে বদলিৰ সুবিধা পাব। একেদৰে কোনো শিক্ষকৰ নিজৰ অথবা পত্নী বা স্বামী আৰু সন্তান জটিল ৰোগত আক্ৰান্ত হ'লে একক বদলিৰ বাবে আবেদন কৰিব পাৰিব। ভিতৰুৱা অঞ্চলত শিক্ষকতা কৰা মহিলা শিক্ষকৰ ক্ষেত্ৰত বদলিৰ ব্যৱস্থাত অগ্ৰাধিকাৰ দিয়া হ'ব। এই বাতৰিটোক দৈনিক জনমভূমিৰ লগতে আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

অহা মে' মাহৰ প্ৰথম সপ্তাহত ৯ হেজাৰ ৭৫ টা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ ফলাফল ছেৰাই ঘোষণা কৰিব। শিক্ষক পদৰ নতুন নিযুক্তিৰ বাবে অহা ১০ অক্টোবৰত বিজ্ঞাপন ওলাব। এই ঘোষণা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ। আমাৰ অসম কাকতে এই বাতৰিটো প্ৰকাশ কৰিছে।

এজাক বৰষুণতে ৰংঘৰৰ বাকৰি জলমগ্ন হৈ পৰাৰ ফলত পৰ্যটকে ৰংঘৰ পৰিদৰ্শন কৰিব নোৱৰা অৱস্থা হৈছে। ইয়াকে লৈ প্ৰতিক্ৰিয়াৰ জোৱাৰ উঠিছে। এই বিষয়ক এটা বাতৰি অসমীয়া খবৰ কাকেত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি এতিয়াৰে পৰা শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীয়ে ৰিপ'ৰ্ট কাৰ্ড লাভ কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতৰ লগতে আনবোৰ কাকতেও প্ৰকাশ কৰিছে।

নিৰ্দিষ্ট সময়ত আৰক্ষীয়ে আদালতত উপযুক্ত তথ্য-প্ৰমাণ দাখিল কৰিব পৰা নাই বাবে ৰাজ্যত ড্ৰাগছ বিৰোধী অভিযানে সফলতা লাভ কৰা নাই। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

চি বি আই তদন্ত চলি থকা মণিপুৰৰ গোষ্ঠী সংঘৰ্ষৰ বিচাৰ গুৱাহাটীত হ'ব বুলি সোমবাৰে উচ্চতম ন্যায়ালয়ে প্ৰকাশ কৰে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যখনত যথেষ্ট মূল্যবৃদ্ধি সন্দৰ্ভত দ্যা ছেণ্টিলেন কাকতে বাতৰি প্ৰকাশ কৰিছে।

আহক ..............

০০০০০০

**ওদালগুৰি জিলাৰ মাজবাটৰ নিজৰা জংগলৰ পৰা কালি আৰক্ষীয়ে ১৪৭ কিলোগ্ৰাম ভাং জব্দ কৰে। মাজবাট আৰক্ষী আৰু SSB য়ে যুটীয়া অভিযান চলাই মাজবাটৰ লামাবাৰীৰ চিকদেউ কিষাণ নামৰ এজন ভাং সৰবৰাহকাৰীকো আটক কৰে। জব্দ কৰা ভাং খিনিৰ বজাৰ মূল্য প্ৰায় ১৪ লাখ ৭০ হাজাৰ টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।**

০০০০০০

প্ৰখ্যাত ডি আই কালাৰিষ্ট তথা অনলাইন গ্ৰাফিক ডিজাইনাৰ সুজীত বৰাৰ কালি মুম্বাইৰ ভক্তি বেদান্ত চিকিৎসালয়ত দেহাৱসান ঘটে। ভি চি পি মায়'পেথি নামৰ বিৰল অৱক্ষয়ীজিনিয় ৰোগত আক্ৰান্ত প্ৰয়াত বৰাই শতাধিক হিন্দী, মাৰাঠী আৰু অসমীয়া চলচ্চিত্ৰৰ লগতে কেইবাখনো ধাৰাবাহিকত কৰা কামৰ বাবে সুখ্যাতি অৰ্জন কৰিছিল। তিনিচুকীয়া জিলাৰ মাকুমৰ সন্তান প্ৰয়াত বৰাই কাম কৰা কেইখনমান বিখ্যাত হিন্দী চলচ্চিত্ৰ হ'ল- কাহো না প্যাৰ হে, পৰদেশ, হম দিল দে চুকে চানাম ইত্যাদি।

০০০০০০

লোক সংস্কৃতিৰ সাধক, সমাজকৰ্মী তথা ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ প্ৰাক্তন সভাপতি লোকনাথ কুটুমৰ কালি নিশা মাজুলী জিলা চিকিৎসালয়ত মৃত্যু হয়। মাজুলীৰ চুমৈমাৰী গাঁও নিবাসী

সমাজকৰ্মীগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৮ বছৰ। কুটুমৰ মৃত্যুত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী বিমল বৰাকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ বিজুলী ঢেৰেকনিৰ সৈতে ধুমুহা অহাৰ আগলি বতৰা দিছে।

oooooo

সমাপ্ত